# 2022

## ASSAMESE

## ( Honours Elective )

Paper : ASM–HE–5026

( অসমীয়া ৰমণ্যাসৱাদী কবিতা )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) 'জোনাকী' আলোচনীত প্ৰকাশ পোৱা প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাটোৰ নাম কি?

(খ) ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম কোন চনত হৈছিল?

(গ) 'কদম কলি' কাব্যগ্ৰন্থখন কোনজন কবিৰ ৰচনা?

(ঘ) 'প্ৰতিমাৰ খনিকৰ' বুলি কোনজন কবিক কোৱা হয়?

(ঙ) ৰঘুনাথ চৌধাৰীৰ চৰাইক লৈ লিখা এখনি কাব্যগ্ৰন্থৰ নাম লিখা।

(চ) 'তত্ত্ব পাৰিজাত' নামৰ কাব্যগ্ৰন্থৰ ৰচয়িতা কোন?

(ছ) 'জোনাকী' আলোচনীখনৰ প্ৰথম প্ৰকাশৰ চনটো কিমান?

(জ) হেমচন্দ্ৰ গোস্বামীয়ে 'চনেট' ৰচনাৰ বাবে কোনজন বিদেশী কবিৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল?

(ঝ) অসমীয়া সাহিত্যত কোনগৰাকী কবিক 'বিহগী' কবিৰূপে জনা যায়?

(ঞ) অম্বিকাগিৰী ৰায়চৌধুৰীয়ে কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

(ট) 'শেৱালিৰ কবি'ৰূপে খ্যাত ৰত্নকান্ত বৰকাকতিয়ে ৰচনা কৰা এখন কাব্যগ্ৰন্থৰ নাম লিখা।

(ঠ) অসমীয়া সাহিত্যত 'কথাকবিতা'ৰ সূচনা কৰা কবিগৰাকীৰ নাম কি?

(ড) শৈলধৰ ৰাজখোৱাৰ 'বিদায় পৰত' নামৰ কবিতাটি কোনখন গ্ৰন্থৰ অন্তৰ্গত?

(ঢ) 'স্মৃতি তীৰ্থ' কোনগৰাকী কবিয়ে ৰচনা কৰা জীৱনীমূলক গ্ৰন্থ?

(ণ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'বিশ্ব শিল্পী' নামৰ কবিতাটি তেওঁৰ কোনখন গ্ৰন্থত আছে?

(ত) বিনন্দ চন্দ্ৰ বৰুৱাক কি কবিৰূপে জনা যায়?





(থ) 'মঞ্চলেখা' নামৰ গ্ৰন্থখন কোনগৰাকী সাহিত্যিকৰ অনবদ্য ৰচনা?

(দ) 'মোৰ জীৱন সোঁৱৰণ' নামৰ পুথিখনৰ প্ৰণেতা কোন?

২। চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) "কোনে কয় সেইটি হৰিণা পোৱালি
ইমান চেতনা নাই
বনৰ সৌন্দৰ্যই ৰূপ ধৰি আহি
দেওঁ দি দুবৰি খায়"

এই পংক্তিটি কোনটো কবিতাৰ আৰু কবিগৰাকীৰ নাম কি?

(খ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যপুথি দুখনৰ নাম কি কি?

(গ) অসমীয়া সাহিত্যত প্ৰথম চনেট ৰচোঁতা কোন আৰু তেওঁৰ প্ৰথম চনেটটোৰ নাম কি?

(ঘ) "আহিছা বিহগী আলচি মনত
কিবা পাম খাম বুলি,
লোভৰ বেহানি আছে আৰু বহু
যাব তোৰ মন ভুলি।"

এই পংক্তিটোৰ মাজেৰে কবিয়ে কাক, ক'লৈ অহাৰ কথা কৈছে?

(ঙ) 'বেদনাৰ উল্কা' নামৰ কাব্যপুথিৰ বাবে কোনগৰাকী কবিয়ে, কি বঁটা লাভ কৰিছিল ?

(চ) ৰত্নকান্ত বৰকাকতিৰ 'বিশ্বহৰণ' কবিতাটিত অনুভূত হোৱা স্তৰ দুটা কি কি ?

(ছ) 'বন ফুলৰ কবি'ৰূপে খ্যাত কবিগৰাকীৰ দুখন কাব্যপুথিৰ নাম উল্লেখ কৰা।

(জ) কবি নলিনীবালা দেৱীৰ জন্ম ক'ত আৰু কিমান চনত হৈছিল ?

(ঝ) 'তামোলবাৰী চাহ বাগিচা'ত অসমৰ কোনগৰাকী শিল্পীৰ জন্ম হৈছিল আৰু তেওঁক কি নামেৰে জনা যায় ?

(ঞ) 'লালকিল্লা' কবিতাটিত কবিয়ে ঈশ্বৰ বুলি কাক কৈছে, আৰু তেওঁক কিহৰ অধিপতি বুলি অভিহিত কৰিছে ?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) অসমীয়া সাহিত্যলৈ ৰমণ্যাসিক ভাৱধাৰা কঢ়িয়াই অনা আলোচনীখনৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(খ) ৰমণ্যাসিক কবি হিচাবে লক্ষ্মীনাথ বেজবৰুৱাৰ বিষয়ে এটি টোকা যুগুত কৰা।

(গ) 'চনেট' কাক বোলে ? এই কাব্যশৈলীৰ সাধাৰণ বিশেষত্বসমূহ কি কি, বিচাৰ কৰা।





(ঘ) 'কেতেকী' কবিতাটিত উল্লেখ থকা চৰাইজনীৰ মাত শুনি কবিৰ হৃদয়ত কি ভাৱৰ উদ্ৰেক হৈছিল, চমুকৈ লিখা।

(ঙ) 'বিশ্বহৰণ' কবিতাটোত প্ৰিয়তমাৰ আগমনৰ পিছত কবিৰ দৃষ্টিত প্ৰকৃতিৰ কি কি পৰিৱৰ্তনে ধৰা দিছিল, বিৱৰি লিখা।

(চ) যতীন্দ্ৰনাথ দুৱৰাৰ 'সোণোৱালী দেশ' নামৰ কবিতাটিত সোণোৱালী দেশৰ ৰূপটি কিদৰে অভিব্যক্ত হৈছে, আলোচনা কৰা।

(ছ) "শিল্পী মই তিনিও কালৰ
অতীতৰ
বৰ্তমানৰ
অনাগত ভৱিষ্যৰ।"

জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বাৰা ৰচিত উক্ত কবিতাফাঁকিৰ তাৎপৰ্য বিচাৰ কৰা।

(জ) 'শাপমুক্তা' কবিতাটিৰ উৰ্বশী চৰিত্ৰটোৰ মাজেৰে কোনে, কিয় শাপমুক্ত হোৱাৰ কথা ক'ব বিচাৰিছে, চমুকৈ আলোচনা কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) ৰোমাণ্টিক কবিতাৰ সাধাৰণ বৈশিষ্ট্যসমূহ বিচাৰ কৰি এটি প্ৰবন্ধ যুগুত কৰা।

(খ) অসমীয়া সাহিত্যৰ ত্ৰিমূৰ্ত্তি বুলি কাক কোৱা হয়? তেওঁলোকৰ কাব্যকৃতিৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা।

(গ) 'ভ্ৰম' নামৰ কবিতাটিত কবিয়ে তেওঁৰ প্ৰিয়াৰ ৰূপমাধুৰী কেনেদৰে বৰ্ণনা কৰিছে, নিদৰ্শনসহ ব্যাখ্যা কৰা।

(ঘ) 'নিয়ৰ' নামৰ কবিতাটিত ৰোমাণ্টিক কবিতাৰ কি কি লক্ষণ প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঙ) 'কেতেকী' কবিতাটিৰ মাজেৰে কবি ৰঘুনাথ চৌধাৰীৰ প্ৰকৃতিপ্ৰীতি কেনেদৰে প্ৰকাশিত হৈছে, তোমাৰ ভাষাৰে ব্যক্ত কৰা।

(চ) "যি দিন হন্তে
চকু ছাট মাৰি
তুমি উজলিলা মোৰ
সেই দিন ধৰি
যেন নিলা হৰি
তিল্ তিল্ ক'ই
সকলোবোৰ।"

এই কবিতাফাঁকিৰ অন্তৰালত থকা ভাৱটি বিচাৰ কৰি এটি আলোচনা আগবঢ়োৱা।

(ছ) 'সোণোৱালী দেশ' নামৰ কবিতাটিৰ মাজেৰে কবিৰ ৰহস্যবাদী ধাৰণা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।





(জ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ সাংস্কৃতিক চেতনা 'বিশ্ব শিল্পী' কবিতাটিৰ মাজেৰে কেনেদৰে প্ৰতিধ্বনিত হৈছে, বহলাই লিখা।

(ঝ) 'হে জননী ভাৰতবৰ্ষ' নামৰ কবিতাটোৰ জৰিয়তে কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ স্বদেশ প্ৰেমৰ ভাৱনা কেনেদৰে মূৰ্ত হৈ উঠিছে, বিশ্লেষণ কৰা।

(ঞ) "লাল্‌কিল্লা তোৰণ দ্বাৰত
বহি মই আপোন ভাৰত
দেখা পালোঁ নৱ অভিনয়,
নিয়তিৰ গুপ্ত পৰিহাস
অতীতৰ লুপ্ত ইতিহাস
মোগলৰ ভাগ্য বিপৰ্যয়।"

এই কবিতাফাঁকিৰ অন্তৰ্নিহিত তাৎপৰ্য বুজাই লিখা।

***

# 2022

## ASSAMESE

## ( Honours Elective )

## Paper : ASM–HE–5036

## ( শংকৰদেৱ )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা (যি কোনো দহটা) : ১×১০=১০

(ক) শংকৰদেৱে অনুবাদ কৰা ভাগৱতৰ দশম স্কন্ধৰ প্ৰথম অংশবিনি অসমীয়া সমাজত কি নামেৰে প্ৰচলিত ?

(খ) কোনগৰাকী ব্যক্তিয়ে শংকৰদেৱক শ্ৰীধৰ স্বামীৰ টীকাসম্বলিত 'ভাগৱত পুৰাণ'খন দিছিল ?

(গ) ড০ বাণীকান্ত কাকতিয়ে বৰগীতক কি বুলি আখ্যা দিছিল ?

(ঘ) শংকৰদেৱে 'ৰামায়ণ'ৰ কাহিনীৰ আধাৰত কোনটো বৰগীত ৰচনা কৰিছে ?

(ঙ) "ভাষাৰ লালিত্য, ছন্দৰ ঝংকাৰ, সুৰৰ লাবণ্য, ভাবৰ মাধুৰ্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে শংকৰদেৱৰ কীৰ্তন ৰচিত।" এইষাৰ কাৰ উক্তি?

(চ) 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ কাহিনীভাগ কোনে ধৰ্মপক্ষীৰ আগত বৰ্ণনা কৰিছে?

(ছ) 'শিশুলীলা খণ্ড'ত উল্লেখ থকা অনুসৰি কৃষ্ণক মাক যশোদাই ক'ত বান্ধি থৈছিল?

(জ) 'পাৰিজাত হৰণ' নাটত নাৰদে কাৰ হাতত পাৰিজাত ফুলপাহ অৰ্পণ কৰিছে?

(ঝ) নান্দীশ্লোক কি?

(ঞ) 'নিমি-নৱসিদ্ধ-সংবাদ' কি বিষয়ক গ্ৰন্থ?

(ট) শংকৰদেৱে ৰচনা কৰা প্ৰথম বৰগীতটো কি?

(ঠ) শংকৰদেৱে কিমান বৰগীত ৰচনা কৰা বুলি চৰিত-পুথিত উল্লেখ আছে?

(ড) 'গজেন্দ্ৰ উপাখ্যান'ত উল্লেখিত ত্ৰিকূট পৰ্বত কোন সাগৰৰ মাজত অৱস্থিত?





(ঢ) অংকীয়া নাটত প্ৰভাৱ থকা এটি বহিঃৰাজ্যৰ নাট্যানুষ্ঠানৰ নাম লিখা।

(ণ) কীৰ্তনৰ 'গজেন্দ্ৰ উপাখ্যান'ৰ কাহিনীভাগ ভাগৱতৰ কোনটো স্কন্ধৰ অন্তৰ্গত?

(ত) 'শাৰংগপাণি পাহে পামৰমতি...' গীতাংশত উল্লেখ থকা পামৰ শব্দৰ অৰ্থ কি?

(থ) সত্যভামাৰ সখীয়েকৰ নাম কি আছিল?

(দ) শংকৰদেৱে হাতী মাৰি ভুৰুকাত ভৰাই দেখুৱাবলৈ কোনখন গ্ৰন্থ ৰচনা কৰিছিল?

২। চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) বৈষ্ণৱ ধৰ্মৰ চাৰিপুথি কি কি?

(খ) শংকৰদেৱে ৰচনা কৰা ভটিমাক কেইটা ভাগত ভগোৱা হৈছে? সেই ভাগসমূহ কি কি?

(গ) ৰজা হৰিশ্চন্দ্ৰৰ স্বৰ্গযাত্ৰাৰ পাছত কোন দুগৰাকী মুনিৰ মাজত কাজিয়াৰ ঘটনা সংঘটিত হৈছে?

(ঘ) নৰকাসুৰৰ মাতৃ কোন আছিল? তেওঁ কাক লগত লৈ কৃষ্ণৰ ওচৰত উপস্থিত হৈছিল?

(ঙ) 'শাৰংগপাণি...' বৰগীতটো কি ৰাগত বন্ধা হৈছে? বিষ্ণুক শাৰংগপাণি বুলি কিয় কোৱা হয়?

(চ) শংকৰদেৱে ৰচনা কৰা দুখন নামপ্ৰসংগমূলক গ্ৰন্থৰ নাম উল্লেখ কৰা।

(ছ) "তল ওঁঠ মাটিত পাতিল।
উৰ্দ্ধ ওঁঠ মেঘত লাগিল॥"

এনেদৰে কোনগৰাকী অসুৰে, কি ছদ্মৰূপ ধাৰণ কৰি কৃষ্ণক মাৰিবলৈ অপেক্ষা কৰি আছিল?

(জ) তুমি কৰি আছা মহাযজ্ঞ ৰাজসূয়।
চিৰকাল স্বৰ্গত থাকিবা দেব হুই॥

কোনে, কাৰ আগত কৈছে?

(ঝ) অদিতি কোন? নৰকাসুৰে তেওঁৰ কি সামগ্ৰী চুৰি কৰি নিছিল?

(ঞ) "জৰা মৰণ মেৰি নিকটহি আয়া
কায়া পড়ত কেতি বেৰি।"

ইয়াত উল্লেখিত 'জৰা' আৰু 'বেৰি' শব্দৰ অৰ্থ লিখা।

(Continued)





৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) শংকৰদেৱৰ সাহিত্যৰ বৈশিষ্ট্য বিচাৰ কৰা।

(খ) বৰগীতৰ এটি বিশেষত্ব বহলাই লিখা।

(গ) কৃষ্ণই কুবেৰৰ পুত্ৰক মুক্তি দিয়া ঘটনাংশ 'শিশুলীলা খণ্ড'ত কিদৰে বৰ্ণিত হৈছে, তোমাৰ ভাষাত লিখা।

(ঘ) 'হৰিশ্চন্দ্ৰ উপাখ্যান' কাব্যৰ অন্তৰ্গত শৈৱা চৰিত্ৰটো বিশ্লেষণ কৰা।

(ঙ) 'পাৰিজাত হৰণ' নাটৰ ৰুক্মিণী আৰু সত্যভামা চৰিত্ৰ দুটিৰ তুলনামূলক আলোচনা আগবঢ়োৱা।

(চ) 'গজেন্দ্ৰ উপাখ্যান'ত নৈসৰ্গিক চিত্ৰ কিদৰে উদ্ভাসি উঠিছে, আলোচনা কৰা।

(ছ) "ঈশ স্বৰূপে হৰি সব ঘটে বৈঠহ
যৈচন গগন বিয়াপি।"

উক্ত গীতাংশ বুজাই লিখা।

(জ) 'পাৰিজাত হৰণ' নাটত হাস্যৰসৰ সঞ্চাৰ কিদৰে ঘটিছে, আলোচনা কৰা।

(Turn Over)

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) শংকৰদেৱৰ সাহিত্যৰাজিৰ এটি পৰিচয়মূলক আলোচনা দাঙি ধৰা।

(খ) অংকীয়া নাটত সূত্ৰধাৰৰ ভূমিকা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(গ) বিষয়বস্তুৰ ভিত্তিত শংকৰদেৱৰ বৰগীতবোৰক কেইভাগত ভগাব পাৰি? প্ৰতিটো ভাগৰে চমু পৰিচয় দি এটি প্ৰবন্ধ যুগুত কৰা।

(ঘ) 'শাৰংগপাণি' শীৰ্ষক বৰগীতটোৰ মূল কথাখিনি বিশ্লেষণ কৰি গীতটোৰ মাজত প্ৰকাশ পোৱা কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

(ঙ) 'পাৰিজাত হৰণ' নাটৰ মূল আৰু মৌলিকতা সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(চ) " 'হৰিশ্চন্দ্ৰ উপাখ্যান' কবিৰ প্ৰথম কাব্যিক সৃষ্টি হ'লেও পৰিস্থিতি চিত্ৰণ, ৰস সৃষ্টি, চৰিত্ৰ অঙ্কন, অনুবাদ বৈশিষ্ট্য আদিবোৰৰ বেছিভাগেই ইয়াক কাব্যসুন্দৰীৰ সাজ পিন্ধোৱাত সহায়তা কৰিছে।" কথাষাৰ বিশ্লেষণ কৰা।

(ছ) 'কীৰ্তন ঘোষা'ৰ সাহিত্যিক সৌন্দৰ্যৰ বিষয়ে এটি বিশ্লেষণাত্মক প্ৰবন্ধ যুগুত কৰা।





(জ) 'বৰগীতৰ ভাষা' সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(ঝ) 'গজেন্দ্ৰ উপাখ্যান' খণ্ডৰ মাজেদি ভক্তিতত্ত্ব কিদৰে প্ৰকাশিত হৈছে, বিচাৰ কৰা।

(ঞ) 'শিশুলীলা খণ্ড'ত কৃষ্ণৰ লীলা আৰু ঐশ্বৰিকত্ব কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

★★★